**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

মহাপুৰুষ দামোদৰ দেৱৰ ৪২৭ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একাগ্ৰ ভক্তিবাদ বৈদিক তত্ব সৃষ্টিৰে বৈষ্ণৱবাদৰ প্ৰচাৰক মহাপুৰুষজনাৰ তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোচবিহাৰৰ বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ আদিত হোম-যজ্ঞ, নাম-প্ৰসংগকে ধৰি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মহাপুৰুষজনাৰ দীক্ষাস্থলী হাজো, বৰপেটাৰ পাটবাউসী, মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে বিভিন্ন সত্ৰত তিথি পালন কৰা হৈছে। মহাপুৰুষজনাৰ আদি সত্ৰ হিচাপে খ্যাত পাটবাউসী সত্ৰত আজি কীৰ্তন মহোৎসৱ পালন কৰিবলৈ লোৱা হৈছে। এই উপলক্ষে যোৱা ২২ এপ্ৰিলত কীৰ্তন থাপনা কৰা হৈছিল। সাদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ কালি গন্ধোৎসৱ উপলক্ষে প্ৰভাত ফেৰী আৰু নাম-প্ৰসংগ অনুষ্ঠিত হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা ভকত-বৈষ্ণৱে প্ৰজ্বলন কৰা সহস্ৰাধিক বন্তিৰে সত্ৰ-চৌহদ উজ্বলি উঠে। আজি ল'ৰা-ছোৱালীৰ মাজত খেল-ধেমালি, দিহানাম প্ৰতিযোগিতা আৰু বাৰে-ৰহণীয়া অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলাখনৰ সুহা, বৰবৰাদিকে ধৰি সত্ৰসমূহতো মহাপুৰুষজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। কামৰূপ জিলাৰ ৰামদিয়াৰ শুৱালকুছিকে ধৰি দামোদৰীয় সত্ৰসমূহত আজি মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ ভাগত ৰাজহুৱা পুষ্পাঞ্জলি দিয়াৰ পাছত প্ৰসাদ বিতৰণ আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভক্তই আগবঢ়োৱা প্ৰায় সাত লক্ষ্যধিক লাডু ভক্তৰ মাজত বিতৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিৰোভাৱ তিথি উপলক্ষে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে মহাপুৰুষজনাৰ আধ্যাত্মিকতা, তত্ব জ্ঞান আৰু সমাজমুখী আদৰ্শ সমাজ জীৱনৰ পথ প্ৰদৰ্শক হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

সংসদীয় পৰিচালনা সমিতিৰ ১৪ জনীয়া এটা দলে আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত উপস্থিত হৈছে। পৰিবহন, পৰ্যটন আৰু সাংস্কৃতিক বিভাগৰ কাম-কাজসমূহ পৰ্যৱেক্ষণ কৰাৰ উদ্দেশ্যে এই দলটো অসমৰ লগতে অৰুণাচল আৰু মেঘালয়লৈ আহে। দলটোৱে কাজিৰঙাত উপস্থিত হৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ কহঁৰা বনাঞ্চল পৰিদৰ্শন কৰে। সংসদীয় দলটোৰ অধ্যক্ষ ৰাজীৱ প্ৰসাদ ৰোডীয়ে প্ৰকাশ কৰা অনুসৰি অসম ভ্ৰমণৰ সময়ত ১৪ জনীয়া এই দলটোৱে অসমৰ পৰিবহন ব্যৱস্থাৰ বিশেষকৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণৰ কামকাজ আৰু ৰাজ্যৰ অসামৰিক বিমান বন্দৰসমূহ পৰিদৰ্শন কৰিব। প্ৰতিনিদি দলটোৱে অসমৰ পাছতে মেঘালয়লৈ ৰাওনা হ'ব যদিও অৰুণাচলৰ ভ্ৰমণ বাতিল কৰা বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়- পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী। শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল। য'ত ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰী বঁটা আছে। পদ্ম বিভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ'এণ্ট্ৰ'লজিষ্ট ডা০ নাগেশ্বৰ ৰেড্ডী আছে। পদ্মভূষণ বঁটা লাভ কৰা বশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, ভাৰত নাট্যম নৃত্যশিল্পী শ্ব'বনা চন্দ্ৰকুমাৰ আৰু ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ শ্ৰীজেছ আছে।

০০০০০০

ইয়াণ্ডাবু সন্ধিৰ ২০০ বছৰ পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি নৰ্থ লখিমপুৰ কলেজত দুদিনীয়াকৈ আয়োজিত আলোচনাচক্ৰৰ সামৰণি পৰিছে। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব সঞ্চালকালয়ৰ সহযোগত আয়োজিত ইয়াণ্ডাবু সন্ধি আৰু ঊনবিংশ শতিকাৰ অসম শীৰ্ষক আলোচনাচক্ৰত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, অধ্যাপক নিৰোদ বৰুৱাই ভাষণ দিয়ে। এই অনুষ্ঠানত চামচুদ্দিন চিচিৰে প্ৰণয়ন কৰা 'বাংলাদেশেৰ অসমীয়া' আৰু শ্বেখ মকবুল ইছলামে প্ৰণয়ন কৰা 'মিছিং ফ্কলৰ'গ্ৰাফী'কে ধৰি ৪ খন গ্ৰন্থ উন্মোচন কৰা হয়। এই আলোচনাচক্ৰত ম্যানমাৰ, বাংলাদেশ আৰু থাইলেণ্ডৰ অধ্যাপকে অংশগ্ৰহণ কৰে।

০০০০০০

গুৱাহাটী মহানগৰীত বানৰ সমস্যা সমাধানৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাপে মহানগৰীখনৰ নলাসমূহ নিষ্কাশনৰ দুঘণ্টাৰ ভিতৰতে বোকা আঁতৰোৱাৰ নিৰ্দেশ দিয়া হৈছে। মহানগৰ জিলা প্ৰশাসন আৰু জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই সন্দৰ্ভত নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে নলা নিষ্কাশনৰ পাছত ২৪ ঘণ্টাতকৈ অধিক সময় ধৰি নলাৰ কাষত বোকাসমূহ পেলাই থোৱাৰ ফলত বৰষুণত এই বোকাসমূহ পুনৰ নলাত সোমাই যায়। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে এই নিৰ্দেশ জাৰি কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

কালি নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৬ উইকেটত পৰাজিত কৰে। দেলহী কেপিটেলছে বান্ধি দিয়া ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৮ অভাৰ আৰু ৩টা বলতেই ৪ উইকেটৰ বিনিময়ত ১৬৫ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্নৌ ছুপাৰ জায়ণ্টছক ৫৪ ৰানত পৰাস্ত কৰে।

০০০০০০

সমাপ্ত